# ভূটানৰ ৰজা আৰু ৰাণী ৬ জানুৱাৰী ২০১৪ ৰ পৰা ১০ জানুৱাৰী ২০১৪ লৈ ভাৰতলৈ আনুষ্ঠানিক ভ্ৰমন লৈ আহিব ।

জানুৱাৰী ০৪,২০১৪

ভুটানৰ ৰজা মহামান্য জিগমে খেচাৰ নামগ্যাল ওৱাংচুক আৰু ৰাণী মহামান্যা জেটচান পেমাই ৬ জানুৱাৰী ২০১৪ ৰ পৰা ১০ জানুৱাৰী ২০১৪ লৈ আনুষ্ঠানিক ভাৱে ভাৰত ভ্ৰমণ কৰিবলৈ আহিব । ভূটানৰ ৰজাৰ প্ৰতিনিধি দলটোত ভূটানৰ বিদেশ মন্ত্ৰী,গৃহ মন্ত্ৰী আৰু অৰ্থনৈতিক পৰিক্ৰমা মন্ত্ৰী থাকিব ।

ভাৰতৰ ৰাষ্ট্ৰপতিৰ আমন্ত্ৰণ ক্ৰমে মহামান্য ভূটানৰ ৰজা ভাৰত ভ্ৰমণলৈ আহিব । প্ৰায় দুটা দশকৰ অন্তত ৰাষ্ট্ৰপতি ভৱনৰ দ্বাৰকাত থকা পুণৰনিৰ্মিত অভিজাত মহলত থাকিবলৈ আমন্ত্ৰিত ভূটানৰ মহামান্য ৰজা গৰাকী হব প্ৰথম গৰাকী বিদেশী প্ৰমুখ ।।

ভাৰতত থকা সময় কালত ভূটানৰ ৰজা জনে ভাৰতৰ ৰাষ্ট্ৰপতি গৰাকীক সাক্ষাৎ কৰিব । ভাৰতৰ উপ ৰাষ্ট্ৰপতি,প্ৰধান মন্ত্ৰী, ইউ পি এ চৰকাৰৰ অধ্যক্ষা ,কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী,বিৰোধী পক্ষৰ নেতা,ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা আৰু বৈদেশিক সচিব গৰাকীয়ে ভূটানৰ ৰজাক সাক্ষাৎ কৰিব ।

ভূটান আৰু ভাৰতৰ অদ্বিতীয় সম্পৰ্ক ,দুয়োখন দেশৰ মাজত থকা নিকটতম বন্ধুত্বৰ সম্বন্ধ,দুয়োখন দেশৰ মাজৰ গভীৰতম বুজাপৰা আৰু দুয়োদেশৰ পৰস্পৰৰ মাজত থকা বিশ্বাসৰ ভেটীত গঢ়ি উঠিছে । ভূটানৰ ৰজা গৰাকীৰ ভাৰত ভ্ৰমণে দুয়োখন দেশৰ মাজত থকা নিকটতম দ্বিপাক্ষীক সম্পৰ্কক আৰু অধিক শক্তিশালী আৰু সম্প্ৰসাৰিত কৰি তুলিব ।

নতুন দিল্লী

জানুৱাৰী ৪, ২০১৪